জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬১/২০২১**

<u>অনুৰাধা ছবিগৃহৰ ৫০ বছৰ পূৰ্তি  উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ</u>

# অসমীয়া ছবি উদ্যোগে এতিয়া আৰু পিছলৈ ঘূৰি চোৱাৰ প্ৰয়োজন নাই ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ অনুৰাধা ছবিগৃহৰ ৫০ বছৰ পূৰ্তি  উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে কভিদ-১৯ অতিমাৰীৰ পাছত অসমৰ ছবিগৃহত মুক্তিলাভ কৰা প্ৰথমখন অসমীয়া চলচ্চিত্ৰ ‘মিডনাইট চং’-ৰ প্ৰিমিয়াৰ শ্ব’তো উপস্থিত থাকে। ইয়াৰ পাছতে ছবিগৃহৰ বাহিৰত উপস্থিত থকা সাংবাদিকৰে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ১৯৭১ চনতে উদ্যোগী ফণী শৰ্মাৰ দ্বাৰা স্থাপিত অনুৰাধা ছবিগৃহই আজি সোণালী জয়ন্তী বৰ্ষত খোজ পেলোৱাটো অসমৰ সাংস্কৃতিক জগতৰ বাবে অতি উৎসাহজনক খবৰ। আধুনিক গুৱাহাটীৰ কাৰিকৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাকে ধৰি এই ছবিগৃহৰ প্ৰতিষ্ঠাৰ লগত জড়িত সকলোৰে অৱদানক তেওঁ শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে ছবিগৃহৰ বৰ্তমানৰ স্বত্বাধিকাৰী চিন্ময় শৰ্মা আৰু তেওঁৰ পৰিয়ালবৰ্গক মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰে। অসমীয়া ছবি জগতক সজীৱ কৰি ৰখাৰ স্বাৰ্থত ৰাজ্যৰ আন আন ছবিগৃহয়ো অনুৰাধা ছবিগৃহৰ দৰে সফলতাৰ ধাৰা অব্যাহত ৰাখিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখন আৰু কলা-কুশলীসকলক উৎসাহিত কৰাৰ বাবে বিগত চাৰে-চাৰি বছৰে ৰাজ্য চৰকাৰে  বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি পৰৱৰ্তী দিনবোৰতো চৰকাৰে এইদিশত প্ৰয়োজনীয় সহযোগিতা আগবঢ়াই যাব বুলি তেওঁ কয়। কভিদ-১৯ অতিমাৰীৰ সময়ত ল’বলগীয়া স্বাস্থ্যজনিত সতৰ্কতাৰ বাবে ছবি উদ্যোগটোৰেও যথেষ্ট অসুবিধাৰ সন্মুখীন হ’বলগীয়া হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যিহেতু পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে, গতিকেএতিয়া আৰু পিছলৈ ঘূৰি চোৱাৰ প্ৰয়োজন নাই। অসমীয়া ছবি জগতৰ সৰ্বাংগীণ কল্যাণৰ বাবে আগত দিনবোৰত চৰকাৰে সকলোধৰণৰ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে।

আজিৰ অনুষ্ঠানতে প্ৰিমিয়াৰ সম্পন্ন হোৱা ‘মিডনাইট চং’ ছবিখনৰ কিছু অংশ উপভোগ কৰাৰ পিছত নিজৰ অনুভৱ ব্যক্ত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কভিদ-১৯ অতিমাৰীৰ পাছত অসমীয়া ছবিৰ এক সুন্দৰ আৰম্ভণি হৈছে। ছবিখনৰ প্ৰতিগৰাকী কলা-কুশলীকে তেওঁলোকৰ সুন্দৰ অভিনয়ৰ বাবে প্ৰশংসা কৰি এনে এখন সুন্দৰ ছবি দৰ্শকক উপহাৰ দিয়াৰ বাবে তেওঁ ছবিখনৰ প্ৰযোজক অপৰাজিতা ভূঞা আৰু পৰিচালক অৰুণজ্যোতি বৰাৰ লগতে ইয়াৰ লগত জড়িত সকলোকে অভিনন্দন জ্ঞাপন কৰে। অসমীয়া ছবি উদ্যোগটোক উৎসাহিত কৰাৰ স্বাৰ্থত এই ছবিখনৰ লগতে আন আন অসমীয়া ছবিসমূহ উপভোগৰ বাবে আগবাঢ়ি আহিবলৈ তেওঁ চিনেপ্ৰেমী ৰাইজলৈ আহ্বান জনায়।

অনুৰাধা ছবিগৃহৰ স্বত্বাধিকাৰী চিন্ময় শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বিজয়া চক্ৰৱৰ্তী, স্বনামধন্য চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অভিনেত্ৰী মলয়া গোস্বামী আৰু বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াকে ধৰি অসমীয়া ছবি জগতৰ লগত জড়িত বহুসংখ্যক কলা-কুশলী উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২৭-০১-২০২১**